بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৩ জানুৱাৰী ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**একাগ্ৰতা আৰু আনুগত্যশীল কিছুমান বদৰি চাহাবাৰ পৱিত্ৰ জীৱন চৰিত্ৰ সম্পৰ্কে বৰ্ণনা আৰু মেহেদীয়াবাদত ন জন আহমদীৰ অতি বেদনাদায়ক শ্বাহাদত উপলক্ষে আৰু শ্বহীদ সকলৰ মৰ্যদা প্ৰাপ্তি আৰু বৰকিনা ফাছোৰ সংকটময় অৱস্থাৰ বাবে জামাতৰ সদস্য বৃন্দলৈ দোৱাৰ আহ্বান**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যেনেকৈ মই যোৱা জুমাৰ খোতবাত কৈছিলো যে কিছুমান বদৰি চাহাবাৰ বিষয়ে বৰ্ণনাৰ কিছু অংশ বাকী ৰৈ আছে, সেয়া বৰ্ণনা কৰিম। আজি সেই ধাৰাবাহিকতাত হজৰত আব্দুল্লাহ বিন জুহাশ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰা হ'ব। বনু আছাদ কবিলাৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। হজৰত আব্দুল্লাহ (ৰাঃ)ৰ উচ্চতা মজলীয়া বিধৰ আৰু মূৰৰ চুলি ঘন আছিল। এটা যুদ্ধৰ সময়ত এখেত (ৰাঃ)ক আমিৰ নিযুক্ত কৰি ৰছুলুল্লাহ (ছাঃ)য়ে চাহাবা সকলক কৈছিল, মই তোমালোকৰ ওপৰত এনেকুৱা এজন ব্যক্তিক আমিৰ হিচাপে নিযুক্ত দি আছো যিজন লোক তোমালোকতকৈ উত্তম নহয় কিন্তু ভোক, পিয়াহ সহ্য কৰাত তোমালোকতকৈ অধিক মজবুত। আন এটা ৰিৱায়ত অনুযায়ী ইছলামত সৰ্বপ্ৰথম পতাকাৰ আৰম্ভণী হজৰত আব্দুল্লাহ বিন জুহাশ (ৰাঃ)য়ে কৰিছিল আৰু সৰ্বপ্ৰথম এখেত (ৰাঃ)য়ে মালে গণিমত (যুদ্ধলব্দ সামগ্ৰী) বিতৰণ কৰিছিল। হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ) য়ে আব্দুল্লাহ বিন জুহাশ (ৰাঃ)ৰ নেতৃত্বত যোৱা এখন যুদ্ধ অভিযান সম্পৰ্কে বৰ্ণনা কৰিছে। সেই অভিযানত মুছলমান সকলে বাধ্যত পৰি চহৰ হাৰামত যুদ্ধ কৰিব লগা হৈছিল। যেতিয়া এই খবৰ গৈ আঁহজৰত (ছাঃ)ৰ কাণ পাইছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে বৰকৈ অসন্তুষ্ট হৈছিল আৰু কৈছিল যে মই তোমালোকক চহৰে হাৰামত কাজিয়া কৰিবলৈ অনুমতি দিয়া নাই। এই কথা শুনি আব্দুল্লাহ বিন জুহাশ (ৰাঃ) আৰু তেখেতৰ লগৰীয়া সকলে বৰ অনুতাপ কৰিছিল আৰু লাজ পাইছিল।

হজৰত আব্দুল্লাহ বিন জুহাশ (ৰাঃ)ৰ তৰোৱাল উহুদৰ দিনা ভাঙি গৈছিল। ৰছুলুল্লাহ (ছাঃ)য়ে তেতিয়া

হজৰত আব্দুল্লাহ (ৰাঃ)ক এডাল খেজুৰ গছৰ ডালি আগবঢ়াই দিছিল, যি ডালে তেখেতৰ হাতত তৰোৱালৰ দৰে কাম কৰিছিল। সেইদিনাখনৰ পৰা এখেত (ৰাঃ)য়ে অৰ্জুন উপাধিৰে খ্যাত হৈ পৰে। আবু নঈমে কৈছে যে হজৰত আব্দুল্লাহ বিন জুহাশ (ৰাঃ)য়ে আল্লাহৰ শপত পূৰ্ণ কৰোঁতা আৰু ঐশ্বৰিক প্ৰেম হৃদয়ত ঠাই দিওঁতা আৰু সৰ্ব প্ৰথমে ইছলামী পতাকা প্ৰতিষ্ঠা কৰোঁতা আছিল।

আন ঠাইত হজৰত ইমাম শ্বইবিয়ে বনু আছাদৰ দুটা গুণ বৰ্ণনা কৰোঁতে তৃতীয় আৰু চতুৰ্থ নম্বৰত গৈ এই কথা উল্লেখ কৰে যে ইছলামত সৰ্বপ্ৰথম ইছলামী পতাকা বনু আছাদ কবিলাৰ এজন লোক আব্দুল্লাহ বিন জুহাশ (ৰাঃ)ক দিয়া হৈছিল। লগতে বনু আছাদৰ চতুৰ্থ নম্বৰ বিশেষত্ব আছিল এয়া যে ইছলামত সৰ্বপ্ৰথমে মালে গণিমত হজৰত আব্দুল্লাহ বিন জুহাশ (ৰাঃ)য়ে বিতৰণ কৰিছিল। হজৰত আব্দুল্লাহ বিন জুহাশ (ৰাঃ)য়ে উহুদৰ যুদ্ধত শ্বহীদ হোৱাৰ সময়ত তেখেত (ৰাঃ)ৰ পত্নী আছিল হজৰত জয়নব বিনতে খোজায়মা (ৰাঃ), যাক আঁহজৰত (ছাঃ)য়ে পিছত বিয়া কৰাই লৈছিল।

এতিয়া হজৰত ছালেহ শুকৰাণ (ৰাঃ)ৰ বিষয়ে কিছু বৰ্ণনা কৰা হ'ব। কিছুমানৰ মতে হজৰত শুকৰাণ (ৰাঃ) আৰু উম্মে ইয়ামিন (ৰাঃ) হুজুৰ (ছাঃ)ক নিজৰ দেউতাকৰ  ফালৰ পৰা আনি উৰুদৃতত লগ ধৰিছিল। বদৰৰ যুদ্ধৰ পিছত আঁহজৰত (ছাঃ)য়ে তেওঁলোকক মুক্ত কৰি দিছিল। হুজুৰ (ছাঃ)ৰ মৃত্যুৰ পিছত যিসকল ব্যক্তিয়ে আঁহজৰত (ছাঃ)ৰ লাচ মোবাৰক স্নান কৰোৱাৰ সৌভাগ্য লভিছিল, তেওঁলোকৰ মাজত হজৰত ছালহে শুকৰাণ (ৰাঃ)য়েও চামিল আছিল। আন এটা ৰিৱায়ত অনুসৰি হজৰত উমৰ (ৰাঃ)য়ে হজৰত শুকৰাণ (ৰাঃ)ৰ চাহাবজাদা হজৰত আবু মুছা আশ্বআৰীৰ ওচৰত পঠিয়াইছিল আৰু তাৰ হাতত লিখি পঠিয়াইছিল যে মই তোমাৰ ওচৰত এজন ছালেহ লোক পঠিয়াই আছো। ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত এওঁৰ দেউতাকৰ যি মৰ্যদা আছিল সেই অনুসাৰে এওঁৰ সৈতে আচৰণ কৰিবা। হজৰত উমৰ (ৰাঃ)ৰ খিলাফত কালত হজৰত ছালেহ শুকৰাণ (ৰাঃ)ৰ মৃত্যু হৈছিল। হজৰত ছালেহ শুকৰাণ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই ৰছুলুল্লাহ (ছাঃ)ক এটা গাধৰ পিঠিত বহি নামাজ পঢ়োতে দেখিছো।এয়াও এটা মছলা যে আৰোহিত অৱস্থাত নামাজ পঢ়িব পৰা যায় নে নাযায়।

ইয়াৰ পিছত বৰ্ণনা কৰিবলৈ আছে হজৰত মালিক বিন দুখছম (ৰাঃ)ৰ বিষয়ে। এখেত (ৰাঃ)ৰ নাম মালিক বিন দুখছম আৰু ইবনে দখছম বুলিও বৰ্ণিত আছে। ছুহেল বিন উমৰুক কয়েদী বনোৱাৰ সময়ত হজৰত মালিকে যি কবিতা পাঠ কৰিছিল, তাতে এয়া উল্লেখ আছিল যে মই ছুহেলক কয়েদী বনাইছো আৰু ইয়াৰ সলনি কোনো সম্প্ৰদায়ৰ আন কাৰোবাক কয়েদী বনাব নিবিচাৰো। উহুদৰ যুদ্ধত ময়দানত মালিক বিন দুখছমে হজৰত খাৰিজাৰ ওচৰেদি পাৰ হৈ গৈছিল। তেখেতে শৰীৰৰ ১৩ টা মান স্থানত আঘাত প্ৰাপ্ত হৈছিল। মালিকে তেখেতক কৈছিল আপুনি জানেনে এয়া যে মহম্মদ (ছাঃ)ক হত্যা কৰা হৈছে। এই কথা শুনি হজৰত খাৰিজা (ৰাঃ)য়ে কৈছিল যে যদি এই খবৰ সত্য হয় তেন্তে আল্লাহ মুঠতে জীৱিত আছে আৰু সি কেতিয়াও মৃত্যু বৰণ নকৰে। মহম্মদ (ছাঃ)য়ে ইছলামৰ বাৰ্ত্তা পৌছাই দিছে গতিকে তুমিও নিজৰ দ্বীনৰ ওৱাস্তে যুদ্ধ কৰি যোৱা। আন এটা ৰিৱায়ত অনুযায়ী ইয়াৰ পিছত হজৰত মালিকে ছাআদ বিন ৰাবিয়াৰ ওচৰেদি পাৰ হৈ গৈছিল। তেখেতৰও শৰীৰত ১২ টা মান আঘাত লাগিছিল। হজৰত মালিকে তেখেতকও সেই একেই কথা কৈছিল তেতিয়া ছাআদ (ৰাঃ)য়ে কৈছিল, মই সাক্ষী দিওঁ

যে মহম্মদ (ছাঃ)য়ে নিজৰ পালনকৰ্তাৰ পয়গাম পৌছাই দিছে গতিকে ইছলামৰ ওৱাস্তে যুদ্ধ কৰি যোৱা।

মুছলমান সকলৰ ফালৰ পৰা কিছুমানে আঁহজৰত (ছাঃ)ৰ ওচৰত হজৰত মালিকৰ বিষয়ে আপত্তি দৰ্শাইছিল যে মালিক মুনাফিক সকলৰ আশ্ৰয়দাতা। তেতিয়া আঁহজৰত (ছাঃ)য়ে সুধিছিল কিয়! তেওঁ নামাজ নপঢ়ে নে ? লোক সকলে উত্তৰ দিছিল হয়, তেওঁ নামাজ পঢ়ে। কিন্তু সেয়া এনেকুৱা নামাজ হয়, য'ত কোনো ধৰণৰ কল্যাণ নিহিত নাই। এইবোৰ কথা শুনি আঁহজৰত (ছাঃ)য়ে আকৌ কৈছিল যে মোক নামাজ পঢ়োতা সকলক হত্যা কৰিবলৈ মানা কৰা হৈছে। এটা ৰিৱায়ত অনুযায়ী হুজুৰ (ছাঃ)য়ে হজৰত মালিক বিন দুখছুম (ৰাঃ)ৰ সৈতে আছিম বিন আদি (ৰাঃ)ক মছজিদ জাৰাৰ ভাঙি পেলাবলৈ পঠিয়াইছিল। এখেত (ৰাঃ)ৰ বিষয়ে বৰ্ণিত আছে যে তেখেতৰ বংশধৰ ভৱিষ্যতলৈ আগবাঢ়ি যোৱা নাছিল।

ইয়াৰ পিছত হজৰত আকাছা (ৰাঃ)ৰ স্মৃতিচাৰণ কৰা হ'ব। এখেত (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফত কালত ১২ হিজৰীত শ্বাহাদত বৰণ কৰিছিল। ইমাম স্বাফী কৈছে যে এজন ব্যক্তি জান্নাতি আছিল তথাপি কিন্তু লোকজনে ধৰতিৰ ওপৰত বিনম্ৰ ভাৱে চলিছিল আৰু সেইজন লোকেই আছিল আকাছা (ৰাঃ)। বদৰৰ যুদ্ধৰ পিছতেই ২ হিজৰী চনত ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আব্দুল্লাহ বিন জুহাশ (ৰাঃ)ক এটা যুদ্ধ অভিযানলৈ পঠিয়ায়, সেই অভিযানত আকাছা (ৰাঃ) আব্দুল্লাহ (ৰাঃ)ৰ লগত আছিল। উহুদৰ যুদ্ধৰ দিনাখন আঁহজৰত (ছাঃ)য়েও ধাৰাসাৰে তীৰ বৰ্ষণ কৰি গৈছিল, যাৰ ফলত ধনুৰ এটা অংশ ভাঙি যায়। তেতিয়া সেয়া দেখি হজৰত আকাছা (ৰাঃ)য়ে সেই ধনু বান্ধিবলৈ আঁহজৰত (ছাঃ)ৰ পৰা সুঁতা লৈ লয়; কিন্তু সেই সুঁতাডাল চুটি হৈ পৰে। তেতিয়া এখেত (ৰাঃ)য়ে জনায় যে সুঁতা ধনুৰ জোখত চুটি হৈছে। সেয়া দেখি আঁহজৰত (ছাঃ)য়ে কৈছিল সেইটো টানি ধৰা। হজৰত আকাছা (ৰাঃ)য়ে কৈছে মই সুঁতাডাল জোৰেৰে টানি দিছিলো আৰু খোদাৰ খছম সেই সুঁতাডাল ইমানেই দীঘল হৈ পৰিছিল যে ধনুৰ দুটা মূৰত দুই তিনিটা পাকেৰে মেৰিয়াই বান্ধিছিলো।

আন এটা অভিযানৰ সময়ত হুজুৰ (ছাঃ)য়ে মদিনাত এক বিপদ অহা সম্পৰ্কে ঘোষণা কৰে আৰু অশ্বাৰোহী সকলে আহি তেখেত (ছাঃ)ৰ ওচৰত জমা হ'বলৈ লয়। সেই অশ্বাৰোহী সকলৰ মাজত হজৰত আকাছা (ৰাঃ)য়েও আছিল।

আন এজন চাহাবী আছিল হজৰত খাৰিজা বিন জায়েদ (ৰাঃ)। এখেত (ৰাঃ)ৰ কুনিয়াত আছিল আবু জায়েদ। অন্যান্য কিছুমান চাহাবৰ সৈতে এখেত ইহুদী সকলক তৌৰাতত উল্লেখ থকা কিছুমান কথা সম্পৰ্কে প্ৰশ্ন কৰাত ইহুদী সকলে সেয়া ক'বলৈ অস্বীকাৰ কৰে। সেই সম্পৰ্কে কোৰাণৰ ওহীও নাযিল হয়।

ইয়াৰ পিছৰজন চাহাবা হ'ল জিয়াদ বিন লবিদ (ৰাঃ)। আবু আব্দুল্লাহ আছিল এখেত (ৰাঃ)ৰ কুনিয়াত (উপাধি) এখেত (ৰাঃ)ৰ বংশধৰ সকলে মদিনা আৰু বাগদাদত বসবাস কৰিছিল। হজৰত জিয়াদ (ৰাঃ)ক আঁহজৰত (ছাঃ)য়ে দ্বীনৰ শিক্ষা দিয়াৰ বাবে এটা সম্প্ৰদায়ৰ ওচৰলৈ পঠিয়াইছিল। এখেত (ৰাঃ) য়ে ৪১ হিজৰী চনত হজৰত মোৱাবিয়াৰ শাসন কালত মৃত্যু বৰণ কৰিছে।

ইয়াৰ পিছত বৰ্ণনা কৰা হ'ব হজৰত খালিদ বিন বুকেৰ (ৰাঃ)ৰ বিষয়ে। এখেত (ৰাঃ)য়ে বনু ছাআদ

গোত্ৰৰ লোক আছিল। এখেত (ৰাঃ)কও হুজুৰ (ছাঃ)য়ে আৰু পাঁচজন চাহাবৰ সৈতে দ্বীনৰ শিক্ষা দিবলৈ আৰু কোৰাণ পঢ়াবলৈ এটা সম্প্ৰদায়লৈ পঠিয়াইছিল। যিসকল লোকে এখেত সকলক লগত লৈ গৈছিল, প্ৰৱঞ্চনা কৰি এখেত সকলক শ্বহীদ কৰি দিছিল।

ইয়াৰ পিছত হজৰত আম্মাৰ বিন ইয়াছিৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিবলৈ আছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে এবাৰ হজৰত ৰছুলে কৰিম (ছাঃ)য়ে গোলাম আম্মাৰৰ ওচৰেদি পাৰ হৈ যাওঁতে তাৰ অৱস্থা সম্পৰ্কে সুধিছিল। তেতিয়া আম্মাৰে কৈছিল যে শত্ৰু সকলে মোক মাৰপিট কৰি থাকে আৰু যেতিয়ালৈকে আপোনাৰ বিৰুদ্ধে কথা নকওঁ তেতিয়ালৈকে সিহঁতে মোক এৰি নিদিয়ে। হুজুৰ (ছাঃ)য়ে তেতিয়া সুধিছিল যে তোমাৰ হৃদয়ত কেনেকুৱা উপলব্দি হয়। আম্মাৰ (ৰাঃ)য়ে কৈছিল- হৃদয়ত জাকজমকীয়া ঈমান ভৰপুৰ আছে। এয়া শুনি আঁহজৰত (ছাঃ)য়ে কৈছিল যে যদি হৃদয় ঈমানত পৰিতৃপ্ত আছে তেন্তে খোদা তা'লাই তোমাৰ দুৰ্বলতা ক্ষমা কৰিব।

হজৰত উচমান (ৰাঃ)ৰ খিলাফত কালত মূৰ দাঙি উঠা বিদ্ৰোহ যেতিয়া বাঢ়ি গৈছিল আৰু চাহাবা সকললৈ চিঠি আহিবলৈ আৰম্ভ কৰিছিল তেতিয়া চাহাবা সকলে গৱৰ্ণৰ সকলৰ বিষয়ে হজৰত উচমান (ৰাঃ)ক এই কথাবোৰ জনাইছিল। বিভিন্ন পৰামৰ্শৰ পিছত কিছুমান চাহাবাক ঘটনা সম্পৰ্কে তদন্ত কৰিবলৈ পঠোৱা হয়। তাৰে সকলোৰে সঠিক ৰিপোৰ্ট পঠিয়াইছিল, কিন্তু আম্মাৰ (ৰাঃ)ৰ ফালৰ পৰা কোনো উত্তৰ অহা নাছিল আৰু ইমানেই পলম হৈছিল যে সকলোৱে ধাৰণা কৰিছিল; তেখেতক মাৰি পেলোৱা হৈছে। কিন্তু আচল ঘটনা আছিল এয়া যে নিজৰ সৰলতাৰ বাবে আৰু ৰাজনীতিত অনভিজ্ঞ থকাৰ কাৰণে বিদ্ৰোহী সকলৰ জালত আটক হৈ পৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত আম্মাৰ বিন ইয়াছিৰ (ৰাঃ) বিদ্ৰোহী সকলৰ প্ৰৱঞ্চনাৰ জালত পৰাৰ এটা বিশেষ কাৰণ আছিল। সেয়া হ'ল যেতিয়া তেখেত (ৰাঃ)য়ে মিচৰত গৈ উপস্থিত হৈছিল লগে লগেই বিদ্ৰোহী সকলে তেখেতক ঘেৰাও কৰি লৈছিল; আৰু মিচৰৰ গৱৰ্ণৰৰ বিৰুদ্ধে অভিযোগ দাখিল কৰি গৈছিল আৰু হজৰত আম্মাৰ (ৰাঃ)য়ে নিজৰ সৰলতাৰ অধীনত সেই অভিযোগবোৰ সত্য বুলি ধাৰণা কৰি লৈছিল।

চফিনৰ যুদ্ধৰ সময়ত হজৰত আম্মাৰ বিন ইয়াছিৰ (ৰাঃ)য়ে বুজি পাইছিল যে এই বিবাদী লোক সকলে কেনেকৈ চতুৰালি কৰি বিদ্ৰোহৰ অগ্নি জ্বলাই হজৰত উচমান (ৰাঃ)ক শ্বহীদ কৰিছে। চফিনৰ যুদ্ধত এখেত (ৰাঃ)য়ে বীৰত্বৰে যুঁজ দি শ্বাহাদত বৰণ কৰিছিল।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এটা অতিকৈ বেদনাদায়ক খবৰ আছে বৰকিনা ফাছোত যোৱা পৰহি আমাৰ ন জন আহমদীক বৰ অন্যায় ভাৱে শ্বহীদ কৰি দিয়া হৈছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। বিৰুদ্ধবাদী সকলে এওঁলোকক এজন এজনকৈ মাতি নি গুলিয়াই শ্বহীদ কৰে। এই সম্পৰ্কে অহা জুমাত মই বিতং ভাৱে বৰ্ণনা কৰিম। ইনশা আল্লাহ- হুজুৰ আনোৱাৰ (আইঃ)য়ে শ্বহীদ সকলৰ পদ মৰ্যদা উন্নত হোৱাৰ বাবে দোৱা কৰে আৰু জামাতৰ সদস্য বৃন্দলৈ দোৱাৰ আহ্বান জনায়। লগতে উল্লেখ কৰে যে বৰকিনাফাছোত এতিয়াও পৰিস্থিতি বৰ বেয়া চলি আছে, আতংবাদী সকলে ধমকি দি থৈ গৈছে। তাৰে আহমদী সকলৰ বাবে দোৱা কৰিব যাতে আল্লাহ তা'লা তেওঁলোকক কুশলে ৰাখে। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئٰاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 13 JANUARY 2023**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**